ভোৰ ডাক্ত

ত্রিম বান সমস্যা স্থায়ীভাৱে
লৈ চৰকাৰে মহানগৰবাসীক
আৰু বিশ্বাসত লৈ কাৰিকৰী
ামৰ্শৰ ভিত্তিত হ্ৰস্ব-দীৰ্ঘ ম্যাদী
ৰূপায়ণ কৰিব লাগিব।

— আছুৰ মুখ্য উপদেষ্টা
ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ২৬৫ বৃহস্পতিবাৰ ২৩ শাওণ ১৯৪৬ শক ৮ আগষ্ট ২০২৪ চন ASOMIYA KHABAR JORHAT THURSDAY 8 AUGUST 2024 দাম ঃ ৭.০০ টকা



## ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ‘লোক কল্যাণ দিৱস-২০২৪’ পালন

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ আগষ্ট ঃ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড় জিলাতো ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ‘লোক কল্যাণ দিৱস’ ডিব্ৰুগড় জিলা পুথিভঁৰালত পালন কৰে। লোক কল্যাণ দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। কাৰ্যসূচীত ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অৱদান শ্ৰদ্ধাৰে স্মৰণ কৰি তেওঁৰ আদৰ্শ আৰু চিন্তাধাৰা বৰ্তমানৰ সমাজ-জীৱনৰ বাবে প্ৰেৰণাদায়ক বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তি তথা নৱ-প্ৰজন্মৰ বাবে অনুকৰণীয় বুলিও মন্তব্য আগবঢ়ায়। জিলা আয়ুক্তই অসম চৰকাৰে কৰ্মদক্ষ, নিষ্ঠাবান তথা সৎ বিষয়া-কৰ্মচাৰীসকলক লোকসেৱাৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ এই পদক্ষেপে অন্যান্য কৰ্মচাৰীসকলক পৰৱৰ্তী সময়ত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি কয়। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীকে নতুনত্বক আদৰি পৰিৱৰ্তীত কৰ্মসংস্কৃতিৰ সৈতে নিজক খাপ খুৱাই সততা আৰু নিষ্ঠাসহকাৰে ৰাইজৰ সেৱাত ব্ৰতী হ’বলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। অতিৰিক্ত জিলা আয়ুক্ত জিণ্টু বৰাই উদ্দেশ্য ব্যাখ্যা তথা আদৰণী ভাষণ আগবঢ়োৱা লোক কল্যাণ দিৱসৰ কাৰ্যসূচীত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বৰুণ দে’। লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে ভাৰতৰ স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা অৱদানৰ সম্পৰ্কে তেওঁ উল্লেখ কৰাৰ লগতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৰাজনৈতিক বিচক্ষণতাৰ আলোকপাত কৰে। প্ৰশাসন যন্ত্ৰৰ লগতে প্ৰতিটো বিভাগ তথা কৰ্মস্থলীত কিদৰে পৰিৱৰ্তনৰ সূচনা হৈছে সেই বিষয়ে তেওঁ আলোকপাত কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্ম, অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, অসীম বৰগোহাঁই, আয়ুক্ত ডাঃ মনিকা বৰা, সহকাৰী আয়ুক্ত নীলাক্ষি ভূঞা, সুপ্ৰিয়া বাউলাৰী, ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ বিষয়া সমুজ্জ্বল বৰা, ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই প্ৰমুখ্যে বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া-কৰ্মচাৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল অনুষ্ঠানত উপস্থিত থাকি সহযোগিতা কৰে।